অধ্যায় ৬ঃ আনন্দৰাম ঢেকিয়াল ফুকন ঃ 'ইংগ্লণ্ডৰ বিবৰণ'

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য

6.2 পৰিচয়

6.3 আনন্দৰাম ঢেকিয়াল ফুকন ঃ জীৱন আৰু কৃতি

6.3.1 আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰাজি

6.4 'ইংগ্লণ্ডৰ বিবৰণ' শীৰ্ষক মূল পাঠৰ বিষয়বস্তু

6.5 আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতি

6.5.1 'ইংগ্লণ্ডৰ বিবৰণ' শীৰ্ষক পাঠটোৰ গদ্যৰীতি

6.6 আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ আখৰ জোঁটনি

6.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

6.8 অধিক জানিবলৈ

6.9 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

6.10 আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন আৰু কর্মৰাজি সম্পর্কে অৱগত হ'ব
- আনন্দৰাম ঢেকিয়াল ফুকনৰ সাহিত্য কর্মৰ প্রেক্ষাপট সম্পর্কে জানিব পাৰিব
- 'ইংগ্লণ্ডৰ বিবৰণ' শীৰ্ষক পাঠটিৰ বিষয়বস্তুৰ পৰিচয় লাভ কৰিব
- আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতিৰ বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ অন্তর্গত ঐচ্ছিক পাঠ্যবিষয় 'অসমীয়া গদ্য সাহিত্য'ৰ এইটো ষষ্ঠ অধ্যায়। এই অধ্যায়ৰ শীৰ্ষক 'আনন্দৰাম ঢেকিয়াল ফুকনঃ ইংগ্লণ্ডৰ বিবৰণ'। এই পাঠৰ আলোচনাৰ যোগেদি আপুনি গদ্যলেখক আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ বিভিন্ন দিশ আৰু বৈশিষ্ট্যৰ লগত পৰিচিত হ'ব।

৬.৩ আনন্দৰাম ঢেকিয়াল ফুকন ঃ জীৱন আৰু কৃতি

আধুনিক অসমীয়া ভাষা-সাহিত্যৰ ভেটি প্রতিষ্ঠা আৰু অসমীয়াৰ মাজত জাতীয়তাবোধ গঢ়ি তোলাত আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান অনস্বীকার্য। তেওঁ আছিল প্রথমগৰাকী

আধুনিক অসমৰ স্বপ্নদ্রষ্টা পুৰুষ। অসমীয়া মানুহে শিক্ষা-দীক্ষা, ব্যৱসায়-বাণিজ্যৰে যাতে এখন সমৃদ্ধিশালী অসম গঢ়ি তুলিব পাৰে তাৰ বাবে আহ্বান জনোৱাৰ লগতে নিজেও অসমীয়া মানুহক আধুনিক মনন-সৃজনৰ অধিকাৰী কৰি তুলিবলৈ অহোপুৰুষার্থ কৰিছিল।

ঊনবিংশ শতিকাৰ পাশ্চাত্যৰ আধুনিক শিক্ষাৰে শিক্ষিত গভীৰ জাতীয়তাবোধসম্পন্ন আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম হৈছিল 1751 শকৰ 7 আহিন (ইংৰাজী 1829 চনৰ 24 ছেপ্টেম্বৰ) তাৰিখ মঙলবাৰে গুৱাহাটীত। তেওঁৰ পিতৃৰ নাম আইছল হলিৰাম ঢেকিয়াল ফুকন আৰু মাতৃৰ নাম প্রসূতী দেৱী। হলিৰাম ঢেকিয়াল ফুকনে বঙলা ভাষাত *অসম বুৰঞ্জী* আৰু *কামাখ্যা যাত্রাপদ্ধতি* নামৰে দুখন পুথি ৰচনা কৰি প্রকাশ কৰিছিল। ইয়াৰ উপৰি তেওঁ বঙলা কাকত *সমাচাৰ চন্দ্রিকা*তো লেখা-মেলা কৰিছিল। আনন্দৰামৰ আনুষ্ঠানিক শিক্ষাৰ আৰম্ভ হোৱাৰ আগতেই তিনি বছৰ বয়সত পিতৃ হলিৰাম ঢেকিয়াল ফুকনৰ মৃত্যু হয়। ফলস্বৰূপে দদায়েক যজ্ঞৰাম খাৰঘৰীয়া ফুকনে আনন্দৰাম ঢেকিয়াল ফুকনৰ চোৱা-চিতা আৰু পঢ়া-শুনাৰ দায়িত্ব বহন কৰে। উমানন্দৰ যশোধৰ অধ্যাপকৰ ওচৰত পাঁচ বছৰ বয়সত পোনপ্রথম আনন্দৰামৰ শিক্ষা জীৱনৰ আৰম্ভণি হয়।

1837 চনত আনন্দৰাম ঢেকিয়াল ফুকনে 1835 চনত স্থাপিত গুৱাহাটী ইংৰাজী স্কুলত নামভর্তি কৰে। এই স্কুলত পঢ়া সময়ত তেওঁ ইংৰাজীত বিশেষ ব্যুৎপত্তি প্রদর্শন কৰিবলৈ সক্ষম হৈছিল। ফলস্বৰূপে জেম্ছ মেথি আৰু জেনকিন্ছ নামৰ দুজন চাহাবৰ প্রিয়পাত্র হৈ পৰে। এই দুই চাহাবৰ সহায়তেই তেওঁ 1841 চনত কলিকতালৈ গৈ হিন্দু কলেজত নামভর্তি কৰে। এই সময়তে তেওঁ আধুনিক পাশ্চাত্য শিক্ষাৰে শিক্ষিত হৈ উঠাৰ লগতে পাশ্চাত্য ধ্যান-ধাৰণা, ৰীতি-নীতিৰো সংস্পর্শলৈ আহে। কিন্তু হিন্দু কলেজত তিনিটা বছৰ অধ্যয়ন কৰাৰ পাচত অসুবিধাৰ বাবে 1844 চনত উভতি আহিবলগীয়া হয়। কলিকতাৰ পৰা আহি গুৱাহাটীত অক্সফ'র্ডৰ গ্রেজুৱেট ব্রেণ্ড চাহাবৰ ওচৰত পুনৰ ইংৰাজী পঢ়িবলৈ লয়। ইয়াৰ উপৰি ফুকনে সংস্কৃত আৰু উর্দু ভাষাৰ জ্ঞানো আহৰণ কৰিছিল। 1946 চনত আনন্দৰাম ঢেকিয়াল ফুকনে মাক আৰু অন্যান্য আত্মীয়-স্বজনৰ অনুৰোধত পশুপতি ফুকনৰ কন্যা মাহিন্দ্রীৰ লগত বিবাহপাশত আৱদ্ধ হয়। ইয়াৰ পাছৰ বছৰেই তেওঁ ইংৰাজ চৰকাৰৰ অধীনত চৰকাৰী চাকৰিত সোমাই পোনপ্রথমে বিজনী ৰজাৰ দেৱান, পিছলৈ মুন্সিফ, বৰপেটাৰ ছাব এচিষ্টেণ্ট, এচিষ্টেণ্ট কমিছনাৰ, সদৰ আসিন আদি গুৰুত্বপূর্ণ পদত সুখ্যাতিৰে কার্যনির্বাহ কৰিছিল। অতি কম বয়সতে অর্থাৎ 29 বছৰ বয়সতে 1859 চনৰ 16 জুন তাৰিখে এইগৰাকী অসমহিতৈষী পুৰুষৰ দেহাৱসান ঘটে।

৬.৩.১ আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰাজি

সোতৰ বছৰ বয়সৰ পৰা লিখিবলৈ আৰম্ভ কৰা আনন্দৰাম ঢেকিয়াল ফুকনে নিচেই চুটি জীৱনকালৰ সময়ছোৱাতে অসমীয়া ভাষা-সাহিত্য তথা সমাজলৈ গুৰুত্বপূর্ণ বৰঙণি আগবঢ়াই থৈ গৈছে। তেওঁৰ দ্বাৰা ৰচিত ৰচনাৰাজি বা কৃতিসমূহক তলত দিয়া ধৰণে ভাগ কৰি দেখুৱাব পাৰি—

- পাঠ্যপুথি প্ৰণয়ন
- *অৰুণোদই*ত প্ৰকাশিত প্ৰবন্ধ
- অনুবাদমূলক ৰচনা
- প্ৰকাশিত প্ৰতিবেদন আৰু পুস্তিকা
- অভিধান প্ৰণয়ন।

- **পাঠ্যপুথি প্ৰণয়ন ঃ** ঔপনিৱেশিক আমোলত 1835 চনত কেপ্টেইন জেনকিন্সে গুৱাহাটীত 'গুৱাহাটী ছেমিনাৰী' নামেৰে অসমৰ প্ৰথমখন আধুনিক শিক্ষাৰ স্কুল স্থাপন অৱশ্যে ইয়াৰ পিছৰ বছৰতেই ব্ৰিটিছ প্ৰশাসনে অসমৰ স্কুল, আদালত আদিৰ পৰা অসমীয়া ভাষা বিতাড়িত কৰি বঙলা ভাষা প্ৰচলন কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে এই কথা মুঠেই সহ্য কৰিব পৰা নাছিল। তেওঁ ভালদৰে উপলব্ধি কৰিছিল যে মাতৃভাষাৰ জ্ঞান অৰ্জন যিমান সহজ আন বিদেশী ভাষাত জ্ঞান লাভ কৰাটো সিমান সহজ নহয়। তদুপৰি দেশীয় ভাষাৰ উন্নতি অবিহনে অসমীয়া মানুহ তথা জাতীয় জীৱনৰ উন্নতি অসম্ভৱ। সেয়েহে অসমীয়া ভাষাত পাঠ্যপুথিৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি ইংৰাজী পাঠ্যপুথিৰ আৰ্হিৰে *অসমীয়া ল'ৰাৰ মিত্ৰ, দ্বিতীয় আৰু তৃতীয় কাণ্ড*নামেৰে দুখন পাঠ্যপুথি 1849 চনত প্ৰকাশ কৰি উলিয়াইছিল। *অসমীয়া ল'ৰাৰ মিত্ৰ দ্বিতীয় কাণ্ড*ৰ সৰহখিনি ৰচনাই উপদেশমূলক। অৱশ্যে ইয়াৰ উপৰি দেশী-বিদেশী বিভিন্ন নগৰৰ বিবৰণ, খ্ৰীষ্টিয়ান আৰু মুছলমান ধৰ্মৰ বিবৰণ, বৈজ্ঞানিক আৱিষ্কাৰ, যেনে— 'সূক্ষ্ম দৰ্শন যন্ত্ৰ', 'দূ�ৰদৰ্শন যন্ত্ৰ', 'বাষ্পীয় অৰ্থাৎ ভাপৰ কল', 'বাষ্পীয় নাও', 'বালুন অৰ্থাৎ আকাশলৈ উঠা যন্ত্ৰ', 'বায়ুৰ জাহাজ', 'নাবিকৰ কম্পাচ অৰ্থাৎ দিগ নিৰূপণ যন্ত্ৰ' ইত্যাদিৰ বিবৰণ আদি বিষয়েও ঠাই পাইছে। *অসমীয়া ল'ৰাৰ মিত্ৰ তৃতীয় কাণ্ড*টো ঘাইকৈ ভূগোল বিষয়ক। পুথিখনৰ পৰিচয় পৃষ্ঠাটোত এনেদৰে পোৱা যায়— 'ভূগোল প্ৰকৰণ', অৰ্থাৎ পৃথিৱীত যিসকল দেশ আছে তাৰ নদী, পৰ্ব্বত, নগৰ, অদ্ভুত বস্তু, ৰাজ্য শাসন, উৎপন্ন দ্ৰব্য, বাণিজ্য আৰু লোকসকলৰ ৰীতি, চৰিত্ৰ, ধৰ্ম ইত্যাদিৰ বিবৰণ। ইয়াৰ মাজতে 'আসিয়াৰ বুৰঞ্জি', ইউৰোপৰ বুৰঞ্জী', 'আমেৰিকা বুৰঞ্জী' শীৰ্ষক বুৰঞ্জীমূলক ৰচনায়ো ঠাই পাইছে।
- ***অৰুনোদই*ত প্ৰকাশিত প্ৰবন্ধ ঃ** 1826 চনত ব্ৰিটিছে অসম অধিকাৰ কৰাৰ এটা দশকৰ পাছত ধৰ্ম প্ৰচাৰৰ বাবে আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকলে অসমত ভৰি দিয়েহি। মিছনেৰীসকলে অসমীয়া ভাষাৰ স্বকীয়তা ভালদৰে উপলব্ধি কৰিছিল। অসমীয়া ভাষা অবিহনে যে অসমৰ সাধাৰণ জনগণৰ মাজত ধৰ্ম প্ৰচাৰ কৰা অসম্ভৱ সেই কথা ভালদৰে বুজি উঠিছিল আৰু অসমত অসমীয়া ভাষাৰ পুনঃপ্ৰচলনৰ বাবে ব্ৰিটিছ প্ৰশাসনৰ ওচৰত দাবী কৰিছিল। ইমানেই নহয়, তেওঁলোকে অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান, জতুৱা ঠাঁচ-খণ্ডবাক্য আদি সংগ্ৰহ কৰাৰ লগতে 1846

চনত প্ৰথমখন অসমীয়া মাহেকীয়া সংবাদ-পত্ৰ *অৰুনোদই*প্ৰকাশ কৰি উলিয়াইছিল। এই *অৰুনোদই* সংবাদ-পত্ৰৰ যোগেদি মিছনেৰীসকলে অসমীয়া ভাষা-সাহিত্যৰ ভেঁটি প্ৰতিষ্ঠা কৰাই নহয়, এদল অসমীয়া লেখকৰো সৃষ্টি কৰিছিল। *অৰুনোদই*ৰ প্ৰথম দল লেখকৰে অন্যতম আছিল আনন্দৰাম ঢেকিয়াল ফুকন। *অৰুনোদই*ত প্ৰকাশিত ফুকনৰ প্ৰথম লেখাটি আছিল 'ইংগ্লণ্ডৰ বিবৰণ'। *অৰুনোদই*ৰ দ্বিতীয় বছৰ, 4র্থ সংখ্যাত (এপ্ৰিল, 1847 খ্ৰীঃ) এই লেখাটো প্ৰকাশ পাইছিল। 1856 চনৰ ডিচেম্বৰ সংখ্যাত প্ৰকাশ পাইছিল দ্বিতীয়টো লেখা 'ইংৰাজি আৰু অসমিয়া যি অভিধান অলপতে চপোৱা হব, তাৰে আৰ্হি'। এই দুয়োটা আছিল *অৰুনোদই*ত প্ৰকাশিত ফুকনৰ প্ৰত্যক্ষ লেখা। এই দুটাৰ পাছতো ফুকনৰ কেইবাটাও ৰচনা *অৰুনোদই*ত প্ৰকাশিত হৈছিল— 'নানা সম্বাদ', 'পৰিভ্ৰমৰ ফল', 'দায়া', 'অচম দেস সত্ৰুএ আক্ৰমন কৰা কথা', 'হিন্দুস্থানৰ নানা প্ৰদেশ', 'গিয়ানৰ পুত্ৰ অৰ্থাৎ মনুষ্য' আদি ৰচনাসমূহ। এইৰচনাসমূহ 1849 চনত প্ৰকাশিত *অসমীয়া ল'ৰাৰ মিত্ৰ দ্বিতীয় আৰু তৃতীয় কাণ্ড*ৰ পৰা *অৰুনোদই*ৰ সম্পাদকসকলে পুনৰ্মুদ্ৰিত কৰিছিল।

- **অনুবাদমূলক ৰচনা ঃ** অসমীয়া ভাষাত ব্যাৱহাৰিক পুথিৰ অভাৱৰ প্ৰতি লক্ষ্য ৰাখি আনন্দৰাম ঢেকিয়াল ফুকনে কেইবাখনো আইন সংক্ৰান্তীয় পুথি বঙলা ভাষাৰ পৰা অনুবাদ কৰিছিল। পুথিকেইখন হৈছে— *ফুকন দেৱান কায়দা বন্দি* [1849–50], *সদৰ দেৱানী নিষ্পত্তি* [1850], *আইন আৰু ব্যৱস্থা সংগ্ৰহ* [1855]¼
- **প্ৰকাশিত প্ৰতিবেদন আৰু পুস্তিকা ঃ** গভীৰ জাতীয়তাবাদী আনন্দৰাম ঢেকিয়াল ফুকনে 1853 চনত অসমৰ অৱস্থা সম্পৰ্কে অধ্যয়ন কৰি অহা মোফাট মিল্‌ছক অসমৰ ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, ভাষিক আদি সকলো দিশ সামৰি ইংৰাজীতে 'Observations on the Administration of the Province of Assam' এখন প্ৰতিবেদন প্ৰদান কৰিছিল। এই প্ৰতিবেদন অসমৰ ৰাজনৈতিক আৰু প্ৰশাসনিক অৱস্থা আৰু সমস্যাৰ গভীৰ উপলব্ধি আৰু সমালোচনা, অসমীয়া ভাষা আৰু শিক্ষাৰ সমস্যাৰ বিশ্লেষণ, অসমীয়া মানুহৰ অৰ্থনৈতিক দুৰৱস্থাৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়, অসমৰ উৎপন্ন বস্তু আৰু এইবোৰৰ উন্নতি সম্পৰ্কে ঢেকিয়াল ফুকনে ইংৰাজীতে নিখুঁত ৰূপত তুলি ধৰিছিল। অসমৰ বিভিন্ন দিশৰ সন্দৰ্ভত প্ৰস্তুত কৰা প্ৰতিবেদনখনে ফুকনৰ গভীৰ জ্ঞান আৰু বিচক্ষণ বুদ্ধিৰ পৰিচয় দিয়ে।

1855 চনত আনন্দৰাম ঢেকিয়াল ফুকনে ইংৰাজীত ***A few Remarks on Assamese Language*** নামেৰে এখন পুস্তিকা প্ৰকাশ কৰে। এই পুস্তিকাখনত অসমীয়া ভাষাৰ ঐতিহ্য আৰু স্বতন্ত্ৰতা প্ৰকাশক 62খন পদপুথি আৰু 40খন নাটকৰ নাম উল্লেখ কৰি অসমীয়া ভাষাৰ স্বকীয়তাপ্ৰতিষ্ঠা কৰিব বিচাৰিছিল আৰু অসমত বঙলা ভাষা জাপি দিয়াৰ বিষময় ফল আলোচনা কৰিছিল।

➢ **অভিধান প্রণয়ন ঃ** আনন্দৰাম ঢেকিয়াল ফুকনে অভিধান প্রণয়নৰ কামতো হাত দিছিল। তেওঁ *ইংৰাজী-অসমীয়া আৰু অসমীয়া-ইংৰাজী* নামেৰে এখন অভিধান প্রণয়ন কৰিবলৈ লৈ *অৰুনোদই*ত A-ৰ পৰা Ablution পর্যন্ত ইয়াৰ নমুনা প্রকাশ কৰিছিল। কিন্তু তেওঁৰ অকাল বিয়োগত এই অভিধান সম্পূর্ণ কৰিব নোৱাৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন আৰু সাহিত্য কৃতিৰ বিষয়ে চমু আভাস দিয়ক। [150টা শব্দৰ ভিতৰত)

৬.৪ 'ইংগ্লণ্ডৰ বিবৰণ' শীর্ষক মূল পাঠৰ বিষয়বস্তু

অৰুনোদই কাকতলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ পোন প্রথম আৰু পোনপটীয়া অৰিহণা আছিল 'ইংগ্লণ্ডৰ বিবৰণ' শীর্ষক লেখাটি। *অসমীয়া ল'ৰাৰ মিত্র*ৰ তৃতীয় কাণ্ডত সন্নিৱিষ্ট 'ইংগ্লণ্ড দেশ' শীর্ষক পাঠটো আৰু দ্বিতীয় কাণ্ডত সন্নিৱিষ্ট 'ইংগ্লণ্ড দেশৰ মানুহৰ পূর্ব্বকালৰ অসভ্যতাৰ কথা'আৰু 'লণ্ডন নগৰৰ বিবৰণ'শিৰোনামৰ পাঠ দুটাৰো বহুখিনি কথা যোগ-বিয়োগ কৰি এই লেখাটো যুগুতাইছিল।

'ইংগ্লণ্ডৰ বিবৰণ' ৰচনাখনৰ আৰম্ভণিতে ঢেকিয়াল ফুকনে ৰচনাখনৰ উদ্দেশ্য সম্পর্কে মত আগবঢ়াইছে। অসমীয়া মানুহে নিজ দেশৰ বাহিৰে পৃথিৱীত যে অন্য কোনো দেশ থাকিব পাৰে, সেই কথা নাজানে। ফলস্বৰূপে নিজ দেশৰ দুৰৱাস্থাৰ উপলব্ধি কৰিব নোৱাৰে। সেয়েহে জ্ঞান-বিজ্ঞান-বাণিজ্যৰ উৎকর্ষ সাধনৰ জৰিয়তে সমগ্র পৃথিৱীতে উপনিবেশ পতিবলৈ সক্ষম হোৱা ইংলেণ্ডৰ বিষয়ে অৱগত হৈ তাৰ দ্বাৰা যাতে অসমীয়া মানুহ উপকৃত হ'ব পাৰে, সেই উদ্দেশ্যেৰে লেখকে এই লেখটি ৰচনা কৰিছে।

দ্বিতীয় অনুচ্ছেদত লেখকে ইংলেণ্ডৰ ভৌগোলিক অৱস্থিতি আৰু ইয়াৰ মাটিকালিৰ আভাস দিছে। তৃতীয় অনুচ্ছেদৰ প্রথমতেই নিজ দেশৰ লগত ইংলেণ্ডৰ তুলনা আগবঢ়াইছে। অসম দেশৰ বেছিভাগ ঠায়েই হাবি আৰু পর্বতেৰে ভৰা। বহু দূৰৈৰ দুই-এঠাইতহে দুই-এখন সৰু সৰু নগৰ পোৱা যায়। বাট-পথবোৰো অতি বেয়া। মানুহৰ ঘৰবোৰ জুপুৰিসদৃশ। বিদ্যালয়, চিকিৎসালয় আদিও অতি সীমিত। তাৰ বিপৰীতে ইংলেণ্ড এনে এখন দেশ য'ত সমগ্র দেশখনকে ইয়াৰ মানুহে পৰিকল্পিতভাৱে সজাইছে। মানুহৰ ঘৰবোৰ শিল-ইটাৰে সজা পকী। ৰাস্তা-পদুলিসমূহে পকা তাত হাজাৰে-বিজাৰে গাড়ী-মটৰ চলে। নৈসমূহ ভাপৰ নাও চলে। নৌ-বাণিজ্যৰ সুবিধাৰ বাবে মানুহে নৈ খান্দি লৈছে। দেশৰ চাৰিওফালে সাধাৰণ মানুহক জ্ঞান আৰু চিকিৎসা প্রদান কৰিব পৰাকৈ পঢ়াশালি আৰু চিকিৎসালয় আছে।

চতুর্থ অনুচ্ছেদত লেখকে ইংলেণ্ডৰ বিভিন্ন প্রদেশসমূহৰ সংখ্যা আৰু ইয়াৰ ৰাজধানী লণ্ডন নগৰৰ বর্ণনা দাঙি ধৰিছে। লণ্ডন চহৰৰ জনসংখ্যা কুৰি লাখ আৰু ইয়াত প্রায় দুই লাখ পকী ঘৰ আছে। ইয়াৰ ভিতৰৰ বাটসমূহ তিনিটা ভাগত ভগোৱা। মাজৰ ভাগটোৰে গাড়ী-মটৰ

চলে আৰু দুয়োকাষেদি মানুহ অহা-যোৱা কৰিব পাৰে। তদুপৰি বাটৰ দুয়োকাষে আৱৰ্জনা সৰকিব পৰাকৈ খাৱৈৰ (ড্রেইন) ব্যৱস্থা আছে। লণ্ডন নগৰৰ মাজেৰে বৈ যোৱা থেম্চ (টেম্চ) নৈৰ পৰা ইয়াৰ আবাসীসকলৰ ঘৰলৈ পানী যোগানৰ ব্যৱস্থা কৰা হয়। লেখকে লণ্ডনৰ থেমচ নৈৰ ওপৰত থকা উঠোৱা-নমোৱা কৰিব পৰা দলং আৰু এই দলং নির্মাণ যে 45 লাখ টকা খৰচ হৈছিল সেই কথা উল্লেখ কৰিছে। এই প্রসঙ্গতে লণ্ডনৰ আনকেইখনমান মহানগৰ লিৱৰপুল, ব্রিষ্টলৰ কথাও লেখকে দাঙি ধৰিছে। পঞ্চম অনুচ্ছেদত ইংলেণ্ডৰ ভূ-প্রকৃতি আৰু উৎপন্ন দ্রব্য সম্পর্কে আভাস দিছে। ইংলেণ্ডৰ ভূমিভাগ সাৰুৱা নহয় যদিও তাৰ মানুহৰ কঠোৰ পৰিশ্রমৰ বাবে সেই মাটিতো নানানবিধ শস্য উৎপন্ন হয়। শিল্পকর্মতো এই দেশৰ মানুহ অতি আগবঢ়া। যাৰ বাবে ইংলেণ্ডৰ বেপাৰ-বাণিজ্যৰ জাহাজ পৃথিৱীৰ সকলো ঠাইলৈকে চলাচল কৰিছিল।

ষষ্ঠ অনুচ্ছেদত ইংলেণ্ডৰ জনসংখ্যা, ইয়াৰ মানুহৰ প্রকৃতি আৰু ইংৰাজী ভাষাৰ প্রাচুর্যৰ বর্ণনা আগবঢ়াইছে তদানীন্তন সময়ছোৱাত ইংলেণ্ডৰ জনসংখ্যা আছিল এক কোটি চল্লিশ লাখ। ইয়াৰ মানুহবোৰ স্বাধীনচিতীয়া, শিক্ষা-দীক্ষাতো আগবঢ়া, কঠোৰ পৰিশ্রমী আৰু শিল্পকর্মত অতি নিপুণ। ইংলেণ্ডৰ ধনৱানসকলে বিদ্যা শিক্ষাৰ বাবে বিদ্যালয় স্থাপন কৰে। ঠিক একেদৰে ইংৰাজী ভাষাতো বিভিন্ন বিষয়ৰ পুথি আছে আৰু দিনে দিনে ন-ন পুথি ৰচিত হ'ব ধৰিছে যাৰ ফলস্বৰূপে সমগ্র বিশ্বতে ইংৰাজী ভাষাৰ ব্যাপক প্রচলন সম্ভৱ হৈ উঠিছে।

সপ্তম অনুচ্ছেদত ইংলেণ্ডৰ প্রশাসনিক দিশৰ বর্ণনা দিছে। ৰজা আৰু পার্লিয়ামেণ্টৰ দ্বাৰা ইংলেণ্ডৰ প্রশাসন পৰিচালিত হয়। বিচাৰক মণ্ডলী আৰু জনসাধাৰণৰ দ্বাৰা নির্বাচিত প্রতিনিধি সভাৰে পার্লিয়ামেণ্ট গঠন হয়।

অষ্টম অধ্যায়ত ইংলেণ্ডৰ পুৰণি বর্বৰ জীৱনৰ আভাস দিছে। অতীজত ইংলেণ্ডৰ অধিবাসীসকলে হাবিত বাস কৰিছিল। কাপোৰ-কানি পিন্ধিব নাজানিছিল। হাবিত চিকাৰ কৰি বনৰীয়া জীৱ-জন্তু খাই জীৱন ধাৰণ কৰিছিল। তেওঁলোক মূর্তি পূজা কৰিছিল আৰু দেৱতাৰ সন্তুষ্টিৰ বাবে শ শ মানুহক জুইত পুৰি মাৰিছিল।

নৱম অনুচ্ছেদত, অতীজতে অতি বর্বৰ, অসভ্য ইংৰাজী জাতি কিদৰে পৃথিৱীৰ ভিতৰতে জ্ঞান-বুদ্ধিত চহকী আৰু পৰাক্রমী হৈ উঠিল; তাৰ বিপৰীতে পূর্বে অতি সভ্য ভাৰতবর্ষ তথা অসমৰ লোকসকল কি কাৰণত পিছপৰি ৰ'ল তাৰ ব্যাখ্যা আগবঢ়াইছে।

লেখকৰ মতে অসমীয়া মানুহৰ দুর্গতিৰ কাৰণে নিজেই দোষী। প্রথম কাৰণ হিচাপে অসমীয়া মানুহৰ বিদ্যা-শিক্ষাৰ প্রতি অৱহেলাৰ কথালৈ আঙুলিয়াইছে। অনুচ্ছেদটোৰ শেষৰ ফালে লেখকে অসমীয়া লোকসকলক বিদ্যা-শিক্ষা তথা জ্ঞান অর্জনৰ বাটত অগ্রসৰ হ'বলৈ আহ্বান জনাইছে।

দশম অনুচ্ছেদত অসমীয়া মানুহৰ দু�ৰাৱস্থাৰ দ্বিতীয় কাৰণ হিচাপে কৃষি আৰু শিল্পকর্মত অপৰিপক্কতাৰ কথা কৈ ইংৰাজসকলৰ দৰে পার্গত হ'বলৈ আহ্বান জনাইছে। অসমীয়া ধনৱন্তসকলক কিছু ধন খৰচ কৰি ইংৰাজৰ সহায় লৈ কৃষি ক্ষেত্রত নানা আধুনিক যন্ত্র-পাতি ব্যৱহাৰ কৰাৰ বাবে পৰামর্শ আগবঢ়াইছে।

একাদশ অনুচ্ছেদত অসমীয়া মানুহৰ উন্নতিবিহীনতাৰ তৃতীয় কাৰণ হিচাপে বাণিজ্যৰ প্ৰতি উদাসীনতাক আঙুলিয়াইছে। ইংলেণ্ড চহকী হৈ উঠাৰ মূল কাৰণেই হৈছে বাণিজ্য। কৃষিকৰ্ম নাথাকিলে বাণিজ্যও নাথাকে। সেয়েহে কৃষি আৰু বাণিজ্য এই দুয়োটা দিশৰ প্ৰতি মনোযোগ দিবলৈ লেখকে অসমীয়া মানুহক আহ্বান জনাইছে।

দ্বাদশ অনুচ্ছেদত অসমীয়া মানুহৰ দুৰৱস্থাৰ চতুৰ্থ কাৰণ অসমীয়া মানুহৰ আপোনপেটীয়া স্বভাৱ তথা দেশৰ প্ৰতি ভালপোৱাৰ অভাৱ বুলি কৈছে। ইংলেণ্ডৰ ধনী লোকসকলে দেশৰ উন্নতিৰ বাবে যথেষ্ট ধন খৰচ কৰে। তাৰ বিপৰীতে অসমীয়া মানুহে দেশৰ বাবে ধন খৰচ কৰাৰ সলনি মাটিত পুতিহে থয়। ধন যিহেতু মানুহ তথা সমাজৰ সুখৰ বাবে। সেয়ে দেশৰ দুৰ্ভাগ্য গুচাবলৈ ধনৱানসকলক ধন আগবঢ়াবলৈ লেখকে আহ্বান জনাইছে।

শেষ অনুচ্ছেদত আনন্দৰাম ঢেকিয়াল ফুকনে অসমদেশৰ লোকসকলক সভ্য, জ্ঞান আৰু ধাৰ্মিক কৰি তুলিবলৈ কৃপাময় পৰমেশ্বৰক প্ৰাৰ্থনা জনাইছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংগ্লণ্ডৰ বিবৰণ' নামৰ ৰচনাখনৰ বিষয়বস্তু আৰু গুৰুত্ব সম্পৰ্কে চমুকৈ আলোচনা কৰক। [150টা শব্দৰ ভিতৰত)

৬.৫ আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতি

প্ৰত্যেক মানুহৰ কথা কোৱাৰ ধৰণ যিদৰে সুকীয়া, একেদৰে লেখক ভেদে গদ্যৰীতিও সুকীয়া হয়। গদ্যৰ উপাদান, যেনে— শব্দচয়ন, বাক্য গাঁথনি, অনুচ্ছেদ ৰচনা, খণ্ডবাক্য, জতুৱা ঠাঁচ, খণ্ডবাক্য, অলংকাৰ, প্ৰবাদ-প্ৰবচন আদিৰ প্ৰয়োগ, লয় আৰু বিষয়বস্তু অনুযায়ী ভাব প্ৰকাশৰ কৌশল আদিৰ জৰিয়তে লেখকএজনৰ স্বকীয় গদ্যৰীতিয়ে গঢ় লৈ উঠে।তদুপৰি লেখক এজনৰ গদ্যৰীতিত তেওঁৰ অধ্যয়নৰ গভীৰতা তথা বিষয়বস্তু সন্দৰ্ভত থকা জ্ঞান আৰু লেখকৰ সমসাময়িক, ভাষিক-সাংস্কৃতিক প্ৰেক্ষাপট, পেছা আদিয়েও প্ৰভাৱ পেলায়। সেয়েহে গদ্যৰীতি অধ্যয়নৰ যোগেদি ব্যক্তি মানসৰ লগতে তৎসময়ৰ ভাষিক-সাহিত্যিক পৰিবেশৰ উমান পাব পাৰি।

অসমীয়া গদ্যসাহিত্য এক সুপ্ৰাচীন ঐতিহ্যৰ অধিকাৰী। ভাৰতৰ আন আন প্ৰাদেশিক আধুনিক আৰ্য ভাষাসমূহত গদ্য সৃষ্টি নৌ হওঁতেই অসমীয়া ভাষাত ষোড়শ শতিকাত গদ্যৰ উদ্ভৱ হৈছিল। শঙ্কৰদেৱে অঙ্কীয়া নাটত অসমীয়া গদ্যৰ আৰ্হি প্ৰতিষ্ঠা কৰাৰ পাছত ভট্টদেৱৰ হাতত অসমীয়া গদ্যই জন্ম লাভ কৰে। তাৰ পৰৱৰ্তী প্ৰায় দুশ বছৰ কাল অসমীয়া গদ্যৰ ধাৰাটো বুৰঞ্জী চৰিত্ৰ পুথি,নানান ব্যাৱহাৰিক সাহিত্যৰ মাজেৰেপ্ৰবাহিত হৈ আছিল। কিন্তু আহোম যুগৰ শেষৰ ফালে হোৱা মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ, ব্ৰিটিছৰ ঔপনিৱেশিক শাসন আদিৰ ফলত অসমীয়া ভাষা-সাহিত্য চৰ্চাত ব্যাঘাত জন্মে। লগে লগে অসমীয়া গদ্য সাহিত্যৰ ধাৰাটোও

স্তিমিত হৈ পৰে। 1826 চনত ব্রিটিছে অসমত ঔপনিৱেশিকতাৰ আৰম্ভণি কৰে। 1836 চনত অসমৰ স্কুল-আদালতৰ পৰা অসমীয়া ভাষা বিতাড়ন কৰি বঙলা ভাষা প্রচলন কৰা হয়। এই বছৰতে ধর্মপ্রচাৰৰ উদ্দেশ্যে অসমত আমেৰিকান বেপ্টিষ্ট মিছনেৰীসকল উপস্থিত হয়। তেওঁলোকে অসমীয়া ভাষা অবিহনে যে অসমত ধর্ম প্রচাৰ কৰা অসম্ভৱ সেই কথা বুজি পাইছিল। অসমীয়া ভাষাৰ স্বকীয়তা উপলব্ধি কৰি অসমত অসমীয়া ভাষা পুনঃপ্রচলনৰ বাবে চৰকাৰক আবেদন জনাইছিল। অসমীয়া ভাষাত ব্যাকৰণ, অভিধান আদি প্রণয়ন কৰাৰ উপৰি তেওঁলোকে 1846 চনত প্রথম অসমীয়া সংবাদ-পত্র *অৰুনোদই* প্রকাশ কৰি উলিয়ায়। এই *অৰুনোদই* কাকততে আধুনিক অসমীয়া গদ্যই জন্মলাভ কৰে। *অৰুনোদইৰ* গদ্যৰ বাবে বিদেশী মিছনেৰীসকলে আৰ্হি হিচাপে লৈছিল পুৰণি অসমীয়া বুৰঞ্জীৰ গদ্য আৰু জনসাধাৰণৰ মুখৰ কথনভঙ্গীক। মিছনেৰীসকলে অসমীয়া ভাষাটোআন্তৰিকতাৰে শিকিবলৈ চেষ্টা কৰিছিল যদিও অসমীয়া ভাষাৰ দৰে সমৃদ্ধিশালী ভাষাটো অতি কম সময়তে আয়ত্ত কৰাটো তেওঁলোকৰ বাবে সহজ নাছিল। বিশেষকৈ অসমীয়া জতুৰা ঠাঁচটো তেওঁলোকে যথাযথভাৱে ব্যৱহাৰ কৰিব পৰা নাছিল। তদুপৰি অসমীয়া লিখাৰ সময়তো অজ্ঞাতসাৰে ইংৰাজী বাক্যৰীতিৰ প্রভাৱ পৰিছিল। ফলস্বৰূপে মিছনেৰীসকলে জনসাধাৰণৰ কথিত ভাষাৰ আধাৰত সহজ-সৰল গদ্যৰ সৃষ্টি কৰিছিল যদিও বাক্য গঠন ৰীতি সকলো সময়তে নিভাঁজ অসমীয়া ঠাঁচ নাছিল। সেয়েহে মিছনেৰীসকলৰ গদ্যক ডিম্বেশ্বৰ নেওগে কেঁচুৰাৰ থুনুক-থানাক মাতৰ লগত তুলনা কৰিছিল। মিছনেৰীসকলৰ গদ্যক আনন্দৰাম ঢেকিয়াল ফুকনে এক নতুন মাত্রা প্রদান কৰে। ঢেকিয়াল ফুকনৰ হাতত নতুন ভাব আৰু কথন ৰীতিৰ সমন্বয়ত অসমীয়া গদ্যৰীতিক পূৰ্ণাঙ্গ ৰূপ দিবলৈ সক্ষম হয়। সেয়েহে আনন্দৰাম ঢেকিয়াল ফুকনক আধুনিক অসমীয়া গদ্যৰ পথ প্রদর্শক বুলি কোৱা হয়।

আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰচনাৰাজিৰ মাজত প্রধানকৈ বর্ণনামূলক ৰীতি (Narrative Style) পৰিলক্ষিত হয়। তেওঁৰ গদ্যৰ ভাষাও সহজ-সৰল; অনাড়ম্বৰ আৰু যথাযথ। উদাহৰণ স্বৰূপে, "আন সকলো কথাতকৈ ইংৰাজীৰ বুৰঞ্জী জনা বৰ আৱশ্যক। 1900 বছৰৰ পূৰ্ব্বে ইংৰাজবিলাক অতি অসভ্য আছিল।' (ইংগ্লণ্ডৰ বিবৰণ)। ঢেকিয়াল ফুকনৰ গদ্যত ব্যাখ্যাত্মক বা সমালোচনাত্মক গদ্যৰীতিও পৰিলক্ষিত হয়। এনে ধৰণৰ সমালোচনাত্মক গদ্যত যুক্তিৰ স্পষ্টতা আৰু ভাবৰ অন্তৰঙ্গতা প্রকট হৈ উঠা দেখা যায়। উদাহৰণ স্বৰূপে, "তোমালোকৰ পূৰ্ব্বপুৰুষসকলে এক প্রকাৰ বিদ্যাৰ আলোচনা কৰিচিল আৰু সেইবিলাকৰ অনেক জ্ঞান আচিল, কিন্তু এতিয়া তোমালোকে কি সংস্কৃত কি ইংৰাজী একো বিদ্যা ন পঢ়ি পূৰ্ব্বৰ হোজা স্বভাৱ এৰি অজ্ঞান আৰু টেঙ্গৰ স্বভাৱ লবৰ উপক্রম কৰিচা।" (ইংগ্লণ্ডৰ বিবৰণ)

আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত কথোপকথনমূলক শৈলী এটাও পৰিলক্ষিত হয়। উদাহৰণ স্বৰূপে, "নাৰায়ণ। তুমি সেই চিনত কাঁৰ মাৰিব পাৰানে?' মোৰ পিতাই মোক এজোৰ কাঁৰ ধেনু দিচে, তাৰেই মাৰোঁ হঁক বলা। গোপাল। বাৰু মোক আগৈ মাৰিবলৈ দিয়া।" (চাইৰচৰ সিদ্ধান্ত)

এনে ধৰণৰ কথোপকথন শৈলীৰ প্রয়োগে তেওঁৰ গদ্যক ঘৰুৱা কৰি তুলিছে।

আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ মাজত উপদেশধর্মী বাক্যৰ সঘন প্রয়োগ ঘটা দেখা যায়। উদাহৰণ স্বৰূপে, "দুখীয়াৰ কান্দনৰ প্রতি কলা নহবা, আৰু নির্দ্দোষীৰ দুখৰ প্রতি তোমাৰ চিত্ত টান নকৰিবা।" (দয়া)

আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ মাজত বহুতো চুটি চুটি স্মৰণীয় বাক্য লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে, "আলাহ সকলো দোষৰে মূল।" "কাল কালৈকো বাট চাই নাথাকে।" (নানা বচন)

আনন্দৰামৰ গদ্যত মিছনেৰীসকলৰ গদ্যত নথকা কাব্যিকতা গুণ পৰিলক্ষিত হয়। ফুকনৰ নীতিবচন জাতীয় ৰচনাত এনে কাব্যিকতা পৰিস্ফুট হয়। উদাহৰণ স্বৰূপে, "বসন্ত কালৰ হাতে যেনেকৈ পৃথিৰীক নানা বিধৰ ফুল আৰু কলিৰে ঢাকে গ্রীষ্ম কালৰ দয়াত যেনেকৈ অনেক শস্য উৎপন্ন হয়, তেনেকৈ দয়াৰ হাস্যে দুখৰ সন্তানসকলৰ ওপৰত দান ঢালে।" (দয়া)

সেয়ে, আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত আধুনিক অসমীয়া গদ্যই এক নির্দিষ্ট ৰূপ পৰিগ্রহ কৰা বুলি ক'ব পাৰি।

৬.৫.১ 'ইংগ্লণ্ডৰ বিবৰণ' শীর্ষক পাঠটিৰ গদ্যৰীতি

কোনো এজন লেখকৰ গদ্যৰীতিৰ আলোচনাত তেওঁৰ গদ্যৰ শব্দ চয়ন, বাক্যৰীতি, অনুচ্ছেদ ৰচনা, অলঙ্কাৰ,খণ্ডবাক্য, জতুৰা ঠাঁচ, প্রবাহ-প্রবচন আদিৰ প্রয়োগ, লয় আদি দিশসমূহ বিশ্লেষণ কৰা হয়। ইয়াৰ আধাৰতে আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংগ্লণ্ডৰ বিবৰণ' পাঠটোৰ গদ্যৰীতি আলোচনা আগবঢ়োৱা হ'ল—

- **শব্দ চয়ন ঃ** এজন দক্ষ লেখক হ'বলৈ হ'লে লেখকজন চহকী শব্দ ভাণ্ডাৰৰ গৰাকী হোৱা প্রয়োজন। উপযুক্ত স্থানত উপযুক্ত শব্দ প্রয়োগৰ দক্ষতাইহে গদ্যক নিটোল ৰূপ প্রদান কৰিব পাৰে। আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত তৎসম, অর্ধতৎসম, ইংৰাজী, বঙলা-হিন্দী, আৰবী-ফার্চী, টাই আদি ভাষাৰ শব্দৰ প্রয়োগ দেখা যায়। 'ইংগ্লণ্ডৰ বিবৰণ' শীর্ষক পাঠটোৰ শব্দ চয়ন এনে ধৰণৰ—

  তৎসম শব্দ ঃ মৃগয়া, জ্ঞান, শস্য, পর্ব্বত, মূর্ত্তি, কর্ম্ম, পুৰুষার্থ, বিদ্যা, পূর্ব্ব, বিদ্যোৎসাহি, ধর্ম্ম ইত্যাদি।

  অর্ধ তৎসম শব্দ ঃ বুৰঞ্জী।

  ইংৰাজী শব্দ ঃ ইংলণ্ড, লিৰৰপুল, ব্রিষ্টল, লণ্ডন, ইউৰোপ, বিচপ, পার্লিয়ামেণ্ট, বেলৰদ্, থেমচ্ ইত্যাদি।

  ইংৰাজীৰ পৰা স্ব-অনূদিত শব্দ ঃ ভাপৰ ৰথ, ভাপ কল, ভাপ নাও, ইংৰাজী যন্ত্র ইত্যাদি।

  মন কৰিবলগীয়া যে, আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত সংস্কৃত তৎসম শব্দৰ বহুল প্রয়োগ পৰিলক্ষিত হয়।

- **বাক্যৰীতি ঃ** আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যত ক'মা, চেমিক'লন আদি যতিচিহ্নৰ সহায়ত দুই বা ততোধিক চুটি চুটি বাক্য লগ লগাই একোটা দীঘলীয়া বাক্য ৰচনা কৰাৰ প্ৰৱণতা দেখা যায়। উদাহৰণ স্বৰূপে, "এই অসম দেশে নিবাসী লোকসকলে স্বদেশত বাজে পৃথিৱীত আন আন যিসকল বৰ বৰ দেশ আচে তাৰ একো কথাৰ ভূ নেপাই, সেই হেতুকে সিবিলাকে আপোনাৰ দেশ অতি দূৰ অৱস্থাত আচে বুলি নেজানে; এতেকে সম্প্ৰতি পৃথিৱীৰ ভিতৰত অতি আচৰিত যে ইংগ্লণ্ড দেশ তাৰে সংক্ষেপ বিবৰণ তলত লেখিলোঁ, তাক পঢ়ি মানিলে অনেক উপকাৰ দৰ্শিব।' (ইংগ্লণ্ডৰ বিবৰণ)

  আনন্দৰাম ঢেকিয়াল ফুকনৰ সমগ্ৰ ৰচনাৰাজিৰ লক্ষ্যই আছিল অসম আৰু অসমীয়াৰ উন্নতি। সেয়েহে তেওঁ গদ্যতআহ্বানসূচক বা অনুজ্ঞাবোধক বাক্যৰ প্ৰয়োগ সততে দেখা যায়। উদাহৰণ স্বৰূপে, "ধনৱন্ত লোকসকল, তোমালোকেও আজিৰ পৰা উঠা, পূৰ্ব্বৰ প্ৰতিজ্ঞা এৰা, তোমালোকৰ ধন মাটিৰ তলত মামৰে নষ্ট কৰিব নিদিবা, কিন্তু দেশৰ বিদ্যা বুদ্ধিলৈ ধন ভাঙ্গা এই উপায় দেশ অৱশ্যে সভ্য আৰু জ্ঞানী হব।"

  এনে ধৰণৰ আহ্বানসূচক বা অনুজ্ঞাবোধক বাক্যৰ আৰম্ভণিও 'হে' সম্বোধনাত্মক অব্যয়ৰ প্ৰয়োগ ফুকনৰ পদ্যৰ আন এক বিশেষত্ব। উদাহৰণ স্বৰূপে, "হে প্ৰিয় মিত্ৰসকল, যদি সভ্য আৰু সুখী হ'বৰ বাঞ্ছা কৰা তেন্তে টোপনিৰ পৰা উঠা।"

  আনন্দৰাম ঢেকিয়াল ফুকনে তেওঁৰ গদ্যত ভাববোধক বাক্য প্ৰয়োগেৰে নিজৰ আৱেগ-অনুভূতিৰ বহিৰ্প্ৰকাশ ঘটোৱাও দেখা যায়। উদাহৰণ স্বৰূপে, "হায় হায়। কি আক্ষেপৰ কথা।"

- **অনুচ্ছেদ ঃ** বাক্যৰ সমষ্টিয়েই অনুচ্ছেদ। ঠিক একেদৰে অনুচ্ছেদৰ সমষ্টিয়ে একোখন ৰচনা বা প্ৰবন্ধ। ৰচনা বা প্ৰবন্ধ একো একোটা একোটা দিশ অনুচ্ছেদে দাঙি ধৰে। সেয়েহে অনুচ্ছেদ এটা একোটা একোটা দিশ বা ভাববস্তুৰে স্বয়ংসম্পূৰ্ণ হোৱাটো বাঞ্ছনীয়। আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যতো এনে ধৰণৰ অনুচ্ছেদৰ সফল প্ৰয়োগ পৰিলক্ষিত হয়।

  আনন্দৰাম ঢেকিয়াল ফুকনৰ'ইংগ্লণ্ডৰ বিবৰণ'পাঠটিত পটুৰৈক আকৰ্ষণ কৰিব পৰা লয়যুক্ত আলঙ্কাৰিক গদ্যৰ সুন্দৰ প্ৰয়োগ ঘটা দেখা যায়। এনে ধৰণৰ গদ্যই ফুকনৰ কাব্যিক গদ্য সৃষ্টি প্ৰতিভা দাঙি ধৰিছে। উদাহৰণ স্বৰূপে, "যি সময়ত অসম হাবি গুচি, ফুলবাৰী হ'ব, নৈত ডোঙ্গা গুচি জাহাজ হ'ব, ঘৰ বাঁহৰ গুচি সিল ইটাৰ হ'ব, গাঁৱে গাঁৱে হেজাৰে হেজাৰে পঢ়াশালি, জ্ঞানৰ সভা, চিকিৎসালই, দুখিয় দৰিদ্ৰ পৰিত্ৰানৰ আলয় হ'ব, আৰু যি কালত লোকসকলে পৰস্পৰ হিংসা নকৰি আটাইয়ে আটাইক ভাতৃবৎ চেনেহ কৰিব, কেৱে দুটকাৰ কানিৰ সলনি মিচা সাক্ষি নিদি, লাখ টকাকো কাতি কৰি থব, কোটি টকা ভেঁটি পাইও কাৰো

অন্যায় নকৰিব, বেশ্যা, কানি আৰু সুৰা দেশত লোকে ভূ নোপোৱা হ'ব, সেই সময়, হে পৰম পিতা জগদ্বীশ্বৰ শীঘ্রে ঘটোৱা।"

৬.৬ আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ আখৰ জোঁটনি

আনন্দৰাম ঢেকিয়াল ফুকনে মিছনেৰীসকলৰ প্রচেষ্টাত ওলোৱা *অৰুনোদই* কাকতত নিজৰ লেখা প্রকাশ কৰিছিল যদিও মিছনেৰীসকলৰ আখৰ জোঁটনি সম্পূর্ণ ৰূপে মানি চলা নাছিল। মিছনেৰীসকল আছিল উচ্চাৰণভিত্তিক আখৰ জোঁটনিৰ পৃষ্ঠপোষক। তেওঁলোকৰ মত আছিল 'ভাসা লিখোঁতে আখৰৰ জিমান জাতি তিমানহে লিখিব লাগে; একে জাতিৰ দুই তিনি প্রভেদৰ সকাম নাই।' সেয়েহে মিছনেৰীসকলে জ, যৰ ঠাইত য় বা জ; শ, ষ, সৰ ঠাইত কেৱল স; ন, ণৰ ঠাইত কেৱল ন, চ, ছৰ ঠাইত চ; ই, ঈ-কাৰৰ ঠাইত ই-কাৰ; উ, ঊ-কাৰৰ ঠাইত উ-কাৰ লিখাৰহে পক্ষপাতি আছিল। তদুপৰি তেওঁলোকে ৰেফৰ পাছত যুক্ত ব্যঞ্জনৰ ঠাইত একক ব্যঞ্জন আৰু শব্দৰ যুক্তাক্ষৰসমূহ সৰলীকৰণ কৰি ব্যৱহাৰ কৰিছিল। আনন্দৰাম ঢেকিয়াল ফুকনে অনেক ঠাইত যি, যদি, যেনে, যত্ন, যিমান, মনোযোগী আদি শব্দত যহে লিখিছে। 'অৰুনোদই'এ কেৱল স লিখাৰ পৰিৱর্তে বিভিন্ন শব্দত শ, ষ, স প্রয়োগ কৰিছে। দীর্ঘ স্বৰৰ ব্যৱহাৰো পোৱা যায়। যেনে— পানী, পাপী, পৃথিৱী, নিবাসী ইত্যাদি। ৰেফৰ পাছত দ্বিত্ব ব্যঞ্জনৰ ব্যৱহাৰো আনন্দৰামৰ গদ্যত পৰিলক্ষিত হয়। যেনে— পর্ব্বত, ধর্ম্ম, পূর্ব্ব ইত্যাদি। যুক্তাক্ষৰৰ ব্যৱহাৰো ফুকনৰ গদ্যত সুলভ। যেনে— জ্ঞানী, বুৰঞ্জী, ইংগ্লণ্ড, স্বতন্ত্র ইত্যাদি। সেয়েহে ক'ব পাৰি 'অৰুনোদই' যুগৰ লেখক হ'লেও আনন্দৰামৰ গদ্যৰ ঠাঁচ আৰু বর্ণবিন্যাস ৰীতি আছিল মিছনেৰীসকলতকৈ পৃথক। 'অসমীয়া ল'ৰাৰ মিত্র'ৰ মাজেদি বিকাশ লাভ কৰা ফুকনৰ গদ্যই অসমীয়া গদ্যক আধুনিক ৰূপ প্রদান কৰিলে। তেওঁ প্রদর্শন কৰি যোৱা বাটেৰেই পৰৱর্তী অসমীয়া গদ্যলেখকসকলৰ হাতত অসমীয়া গদ্যই নিটোল আৰু পৰিশীলিত ৰূপ ল'বলৈ সক্ষম হ'ল।

আনন্দৰাম ঢেকিয়াল ফুকন আধুনিক অসমীয়া গদ্যৰ আর্হি প্রতিষ্ঠাতাই নাছিল, ইংৰাজী শিক্ষাৰ গ্রহণ, পাঠ্যপুথি প্রণয়ন, আধুনিক জীৱনধাৰা আদিৰো পথ প্রদর্শক আছিল। তেওঁ আছিল অসমীয়া জাতীয়তাবাদৰো জন্মদাতা। সেয়ে আনন্দৰাম ঢেকিয়াল ফুকনক আধুনিক অসম আৰু অসমীয়া ভাষাৰ প্রাণপ্রতিষ্ঠাতা আখ্যা দিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতিৰ বিষয়ে চমুকৈ লিখক। [150টা শব্দৰ ভিতৰত)



৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ আলোচনাৰ জৰিয়তে আমি আধুনিক অসমীয়া জাতীয়তাবাদৰ প্ৰতিষ্ঠাতা আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন আৰু কৃতিৰ লগত পৰিচয় হ'লোঁ।
- আনন্দৰাম ঢেকিয়াল ফুকনৰ কৰ্মৰাজিৰ প্ৰেক্ষাপট সম্পৰ্কে অৱগত হ'লোঁ।
- আনন্দৰাম ঢেকিয়াল ফুকনৰ সাহিত্যৰাজিৰ মাজেৰে তেওঁৰ ব্যক্তিত্ব আৰু দেশপ্ৰেমৰ সৈতে চিনাকি হ'লোঁ।
- শিল্প-বাণিজ্য নহ'লে যে কোনো জাতিয়েই চহকী হৈ নুঠে সেই কথা ঊনবিংশ শতিকাৰ মাজভাগতেই আনন্দৰাম ঢেকিয়াল ফুকনে দাঙি ধৰিছিল, সেই বিষয়ে জানিব পাৰিলোঁ।
- 'ইংগ্লণ্ডৰ বিবৰণ' পাঠটিৰ জৰিয়তে আনন্দৰাম ঢেকিয়াল ফুকনে দাঙি ধৰা অসমীয়াৰ দোষ-দুৰ্বলতাসমূহ আৰু অসমৰ উন্নতিৰ কাৰণে তেওঁ দিয়া পৰামৰ্শসমূহ জানিব পৰা গ'ল।
- আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ জানিব পাৰিলোঁ।
- আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ লগত মিছনেৰীসকলৰ গদ্যৰীতি আৰু আখৰ জোঁটনিৰ পাৰ্থক্য সম্পৰ্কে জানিব পৰা গ'ল।
- অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীত আনন্দৰাম ঢেকিয়াল ফুকনৰ স্থান সম্পৰ্কে অৱগত হ'লোঁ।



৬.৮ অধিক জানিবলৈ

1] কোঁৱৰ, অৰ্পণা (সম্পা.) (2016) ঃ *আধুনিক অসমীয়া গদ্যশৈলী*; ডিব্ৰুগড় ঃ বনলতা।

2] নেওগ, মহেশ্বৰ [2000] ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

3] ফুকন পাটগিৰি, দীপ্তি (1997] ঃ *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙণি* (প্ৰথম প্ৰকাশ); গুৱাহাটী ঃ বনলতা।

4] ভূঞা, যোগেন্দ্ৰ নাৰায়ণ [1999] ঃ *অসমীয়া ল'ৰাৰ মিত্ৰ*; উত্তৰ গুৱাহাটী ঃ আবিলেক।

5] ভূঞা, স্মৃতিৰেখা (2007] ঃ *অসমীয়া গদ্যৰীতি*; গুৱাহাটী ঃ বৃষ্টি প্ৰকাশন।

6] শৰ্মা দলৈ, হৰিনাথ [2004] ঃ *অসমীয়া গদ্য-সাহিত্যৰ গতিপথ*; নলবাৰী ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।



৬.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম, চন, তাৰিখ... ...পিতৃ-মাতৃৰ পৰিচয়... ...শিক্ষা জীৱন... ...কর্ম জীৱন... ...ৰচনাৰাজিৰ পৰিচয়... ...মৃত্যু।

২নং প্রশ্নৰ উত্তৰ ঃ 'ইংগ্লণ্ডৰ বিবৰণ' ৰচনাখনৰ মূল... ...ৰচনাখন লিখাৰ কাৰণ... ...ইংলেণ্ডৰ ভৌগোলিক, প্রশাসনিক... ...ইয়াৰ অতীত বুৰঞ্জী... ...জনসাধাৰণৰ চৰিত্র... ...ইয়াৰ পৰা অসমীয়া মানুহে শিকিবলগীয়া গুণসমূহ।

৩নং প্রশ্নৰ উত্তৰ ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰ শব্দচয়ন... ...বাক্যৰীতি... ...অনুচ্ছেদ ৰচনা... ...বিভিন্ন প্রকাশভঙ্গী।



৬.১০ আৰ্হিপ্রশ্ন

প্রশ্ন ১ ঃ আধুনিক অসমীয়া ভাষা-সাহিত্য আৰু অসমীয়া জাতীয়তাবোধ গঢ়ি তোলাত আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান আলোচনা কৰক।

প্রশ্ন ২ ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ 'ইংগ্লণ্ডৰ বিবৰণ' পাঠটোত লেখকে দাঙি ধৰা অসমীয়া মানুহৰ দুৰাৱস্থাৰ কাৰণসমূহ কি কি?

প্রশ্ন ৩ ঃ "বঙ্গদেশৰ ৰামমোহন ৰায় যেনে আসামত আনন্দৰাম ফুকনো তেনে আছিল।"— কথাষাৰৰ যথার্থতা ব্যাখ্যা কৰক?

প্রশ্ন ৪ ঃ আনন্দৰাম ঢেকিয়াল ফুকনে ভৰিষ্যৎ অসমখন কেনেদৰে বিচাৰিছিল আলোচনা আগবঢ়াওক?

প্রশ্ন ৫ ঃ আনন্দৰাম ঢেকিয়াল ফুকনৰ গদ্যৰীতি সম্পর্কে লিখক।

প্রশ্ন ৬ ঃ মিছনেৰীসকলৰ গদ্যৰীতিৰ লগত আনন্দৰামৰ গদ্যৰীতিৰ পার্থক্য বিচাৰ কৰক?

প্রশ্ন ৭ ঃ মিছনেৰীসকলৰ লগত আনন্দৰাম ঢেকিয়াল ফুকনৰ আখৰ জোঁটনিৰ পার্থক্যসমূহ দেখুৱাওক।

*** **** ***